জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩২/২০১৯

চাহ বাগিছা হিতাধিকাৰী নিৰ্বাচন সমিতিৰ অধ্যক্ষ সকলৰ কৰ্মশালাত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

চাহজনগোষ্ঠীৰ বাবে থকা কল্যাণকামী আঁচনি সমূহৰ যথাযথ ৰূপায়ণৰ বাবে ঐকান্তিক পদক্ষেপৰ প্ৰয়োজন ঃ মুখ্যমন্ত্ৰী

দিছপুৰ, ৯ নৱেম্বৰ ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্য চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ দ্বাৰা অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত বিভাগীয় আঁচনিৰ ওপৰত থকা মহকুমা হিতাধিকাৰী নিৰ্বাচন সমিতি সমূহৰ অধ্যক্ষ সকলৰ কৰ্মশালাত অংশ গ্ৰহণ কৰে। কৰ্মশালাত অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে চাহ জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ বাবে থকা কল্যাণকামী আঁচনি সমূহ যথাযথ ভাৱে ৰূপায়ণৰ দিশত ঐকান্তিকতাৰে প্ৰচেষ্টা চলাব লাগিব। মুখ্যমন্ত্ৰীয়ে মহকুমা হিতাধিকাৰী নিৰ্বাচন সমিতিৰ অধ্যক্ষ সকলক চাহ জনগোষ্ঠীৰ লোকসকলৰ বাবে থকা ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনি সমূহৰ বিষয়ে উপযুক্ত সজাগতাৰ উদ্যোগ ল'বলৈ নিৰ্দেশ দিয়ে যাতে এই আঁচনি সমূহৰ জৰিয়তে তেওঁলোক উপকৃত হ'ব পাৰে।

মুখ্যমন্ত্ৰী সোণোৱালে চাহ জনগোষ্ঠীৰ যুৱ প্ৰজন্মক চৰকাৰে গ্ৰহণ কৰা আঁচনি সমূহৰ সা-সুবিধাখিনি গ্ৰহণেৰে জীৱনত সফলতা অৰ্জনৰ বাবেও আহ্বান জনায় আৰু এই ক্ষেত্ৰত চৰকাৰে দায়বদ্ধতাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও কয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক সুস্থ জীৱন-যাপনৰ বাবে 'ফিট ইণ্ডিয়া মুভমেন্টৰ' লেখীয়া কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি চাহ জনগোষ্ঠীৰ জনসাধাৰণক স্বচ্ছতা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা অক্ষুন্ন ৰখাৰ বাবেও আহ্বান জনায় যাতে এখন ৰোগমুক্ত সমাজ গঢ়ি তুলিব পৰা যায়।

বৰ্তমানৰ ৰাজ্য চৰকাৰে ৰাজ্যখনত ৩৬ লাখ শৌচালয় নিৰ্মাণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ২০১৭ বৰ্ষৰ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা বিমুদ্ৰাকৰণৰ পিছতে চাহ জনগোষ্ঠীৰ ৮ লাখ বেংক একাউন্ট খোলা হৈছে বুলিও কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী মাতৃ বন্দনা যোজনা তথা চাহ বাগিছাৰ গৰ্ভৱতী মহিলালৈ মজুৰীৰ ক্ষতিপূৰণ আঁচনিৰ অধীনত ১২ হাজাৰ টকাকৈ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলিও কয়। অধ্যক্ষ সকলক চাহ বাগিছা সমূহৰ লাইনৰ চৰ্দাৰ সকলৰ জৰিয়তে তেওঁলোকৰ বাবে থকা কল্যাণকামী আঁচনি সমূহৰ বিষয়ে উপযুক্ত সজাগতা সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে চাহ বাগিছাৰ চৰ্দাৰ সকলক ৰাজ্য চৰকাৰে ইতিমধ্যে মোৱাই ফোন প্ৰদান কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে অধ্যক্ষ সকলক চাহ বাগিছা সমূহ সঘনাই পৰিদৰ্শন কৰি জনসাধাৰণৰ সৈতে সম্পৰ্ক স্থাপন কৰি বিভিন্ন সমস্যাৰ বুজ লোৱাৰ বাবেও নিৰ্দেশ দিয়ে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে চাহ জনজাতি কল্যাণ বিভাগৰ আয়ুক্ত সচিবক চাহ জনগোষ্ঠীৰ জনগাঁথনিৰ নমুনা সামৰি এখন এনচাইক্ল'পেডিয়া প্ৰস্তুতৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে যাতে তেওঁলোকৰ সমস্যা আৰু বিভিন্ন বিষয় উপযুক্ত ভাবে চিনাক্ত কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকললৈ মেধাৰ জলপানি প্ৰদানৰ দিশত আয়ৰ প্ৰমাণ পত্ৰ প্ৰদানৰ স্বৰ্তাৱলী শিথিল কৰাৰ বিষয়টো চালি জাৰি চোৱা হ'ব বুলিও আশ্বাস প্ৰদান কৰে।

আজিৰ এই কৰ্মশালাত তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, ৰাজ্য সভাৰ সদস্য কামাখ্যা প্ৰসাদ তাছাৰ লগতে চাহ জনজাতি কল্যাণ বিভাগৰ উচ্চপদস্থ বিষয়াসকলে অংশ গ্ৰহণ কৰে।

স্বাঃডেঃ/ বঃভাঃ / পুঃডেঃ
৯/১১/২০১৯